# অসম লোকসেৱা আয়োগ
# ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781022

**বাতৰিৰ স্পষ্টীকৰণ**

যোৱা ১০ জুলাই ২০২০ তাৰিখৰ “সাদিন” কাকতত "বিত্ত-গাণনিক কোষাগাৰ বিষয়াৰ ৩৪ টা পদৰ পৰীক্ষাত ভয়ংকৰ কেলেংকাৰী" শীৰ্ষক শিৰোনামেৰে প্ৰকাশিত বাতৰিটো আয়োগৰ দৃষ্টিগোচৰ হৈছে । এই সন্দৰ্ভত আয়োগে জনায় যে যোৱা ৮ মে'ত উক্ত পদৰ লিখিত পৰীক্ষাৰ ফলাফল আয়োগে ঘোষণা কৰিছিল । সেই সময়ত চৰকাৰৰ নিৰ্দেশমতে চলি থকা লকডাউন বিধি তথা সান্ধ্যআইনৰ পৰিপ্ৰেক্ষিতত আয়োগে যথেষ্ট বাধ্যবাধকতাৰ মাজেদি উক্ত ফলাফল ঘোষণা কৰিবলগীয়া হৈছিল । ৯ আৰু ১০ মে'ত চৰকাৰী বন্ধৰ কাৰণে ১১ মে'ত উক্ত ফলাফলৰ সামান্য ছপাৰ আসোঁৱাহ সন্দৰ্ভত আয়োগ অৱগত হয় । লগে লগে আয়োগে ১১ মে'ত এক শুদ্ধিপত্ৰযোগে সঠিক প্ৰাৰ্থী কেইগৰাকীক যোগ্য হিচাপে ঘোষণা কৰে ।

আয়োগে এই সন্দৰ্ভত দোহাৰিব বিচাৰে যে, উক্ত বিসংগতি একমাত্ৰ মুদ্ৰণ/ছপা ভুলৰ বাবেহে হৈছিল আৰু এই প্ৰক্ৰিয়াত কোনো যোগ্য প্ৰাৰ্থীকেই বঞ্চিত কৰা হোৱা নাই ।

এইটো অনস্বীকাৰ্য যে পৰীক্ষাৰ ফলাফল ঘোষণা কৰাত কিছু পলম হৈছিল । এই ক্ষেত্ৰত আয়োগে স্পষ্ট কৰিব বিচাৰে যে বিত্ত আৰু গাণনিক বিষয়াৰ সেৱাবিধিৰ ক্ষেত্ৰত কিছু আসোঁৱাহ চৰকাৰে দূৰ কৰিবলগা হোৱা বাবে ফলাফল ঘোষণা কৰাত বিলম্ব হৈছিল ।

আয়োগৰ তৰফৰপৰা এইক্ষেত্ৰত সংবাদ মাধ্যম আৰু সংবাদসেৱীসহ সকলোলৈ বিনম্ৰ অনুৰোধ কৰা হ'ল যাতে পৰীক্ষাৰ্থী সকলৰ মনোবলত আঘাত কৰাৰ লগতে বিভ্ৰান্তিৰ সৃষ্টি কৰা যিকোনো বাতৰি পৰিবেশনৰ পৰা বিৰত থাকে যেন ।

সচিব,
অসম লোকসেৱা আয়োগ
জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী-২২